# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-06-2025 **Time :** 1800 Hrs.

## Assamese Evening Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধাৰাপুৰ তালুক সভাঘৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি, ৰাজ্য চৰকাৰে আছুতীয়া পুঁজিৰ পৰা আগবঢ়োৱা ৬০ লাখ টকাৰে সভাঘৰটোৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ পাছতে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী শিৱসাগৰত উপস্থিত হয়। পোনে পোনে ঐতিহাসিক ৰংঘৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰংঘৰৰ প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰে। তেওঁ শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ-মৰাণ অংশত  বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা – ই এল এফেৰে নিৰ্মাণ কৰা বিশেষ স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰে। বিমানৰ উৰণ আৰু অৱতৰণৰ সুবিধা থকা এনে অন্য দুটা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ হোজাই আৰু বাক্সাত নিৰ্মাণ কৰি থকা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব।

ৰংঘৰৰ বাকৰিৰ পৰা মুখ্যমন্ত্ৰী ড° শৰ্মা অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নৈৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব।

০০০০০০০

কাইলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে গোলাঘাটলৈ যাব। পুৱাৰ ভাগত তেওঁ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলিয়া নামঘৰ আৰু আঠখেলিয়াৰ ত্ৰিশূলধাৰী মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়াম উন্মোচন কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নৱনিৰ্মিত গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পও উন্মোচন কৰিব।

০০০০০০০

কাছাৰৰ কাটিগড়াত আজি পুৱা দুজন বাংলাদেশী নাগৰিকক আন্তঃৰাষ্ট্ৰীয় সীমা পাৰ হ'বলৈ চেষ্টা কৰি থকা অৱস্থাত আটক কৰা হয়। কাটিগড়া সীমান্তত চলাচল কৰি থকা তিনিজন সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ দুজনক স্থানীয় ৰাইজৰ তৎপৰতাত আৰক্ষীয়ে  আটক কৰে যদিও এজন পলায়ন কৰিবলৈ সমৰ্থ হয়। আটক কৰা লোকদুজন কেইবা বছৰ পূৰ্বে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি গুজৰাটত শ্ৰমিক হিচাপে কাম কৰি আছিল বুলি প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পাইছে। গুজৰাট চৰকাৰে সম্প্ৰতি অবৈধ অনুপ্ৰৱেশকাৰীৰ

বিৰুদ্ধে কঠোৰ স্থিতি লোৱাৰ পৰিপ্ৰেক্ষিতত লোকদুজনে কাছাৰলৈ পলায়ন কৰি কাটিগড়া সীমান্ত পাৰ হৈ বাংলাদেশত প্ৰৱেশ কৰাৰ চেষ্টা চলোৱা সময়তে স্থানীয় ৰাইজে আটক কৰে।

০০০০০০০

ধেমাজি জিলা অধিবিদ্যা পৰিষদৰ সৌজন্যত আৰু সমগ্ৰ শিক্ষা, ধেমাজিৰ সহযোগত গ্ৰীষ্মবন্ধ উপলক্ষে ধেমাজি জিলাত 'গ্ৰীষ্মানন্দ' শীৰ্ষক এটা শিশু কল্যাণমুখী, শিক্ষা সহায়ক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ১ জুলাইৰ পৰা হ'বলগীয়া গৰম বন্ধৰ দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত তথা সামাজিক জীৱনশৈলীৰ সুস্থ বিকাশ ঘটোৱাৰ লগতে ম'বাইল, টিভি ইত্যাদি আসক্তিৰ পৰা মুক্ত কৰি সু-অভ্যাস গঠন কৰাৰ উদ্দেশ্যেৰে এই কাৰ্যসূচীত দায়িত্ববোধ আৰু শৃংখলাপূৰ্ণ জীৱন অভ্যাসৰ প্ৰশিক্ষণ দিয়া হ'ব। ধেমাজি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা সমগ্ৰ শিক্ষাৰ জিলা সমন্বয়ক কবিতা ডেকাৰ প্ৰচেষ্টাত হ'বলগীয়া এই কাৰ্যসূচীৰ বিষয়ে কাইলৈ জিলাখনৰ প্ৰতিখন বিদ্যালয়ত সূচনা অনুষ্ঠান আয়োজন কৰা হৈছে। পৰিদৰ্শকগৰাকীয়ে জিলাখনত সকলো বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলক এই কাৰ্যসূচীত তত্ত্বাৱধায়কৰূপে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

লখিমপুৰ, ধেমাজি আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত আজি উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ত আজি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় আকাশ অনুষ্ঠান উদযাপন কৰা হয়। পুৱা সভাৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই কাৰ্যসূচীত সাহিত্য অকাডেমী বঁটাৰে সন্মানিত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ জুৰি দত্তই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। অৰুণাচল প্ৰদেশৰ সংগীত নাটক অকাডেমী বঁটাৰে সন্মানিত অ'লিন মেণ্ড ডামিনে এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

মাজুলীৰ ভোগপুৰ সত্ৰৰ উদ্যোগত আজি যোগ গুৰুকুল অসমৰ **আয়ুষ জীৱন স্বাস্থ্য গোট**ৰ দ্বাৰা সত্ৰখনত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ দেৱগোস্বামী, স্থানীয় বিধায়ক ভূৱন গাম আৰু যোগ গুৰুকুল অসমৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**